(খ) দ্ৰোণ ড্ৰাইভাৰক কিয় সকলোৰে ড্ৰাইভাৰ বোলে ?

(গ) ড্ৰাইভাৰ কেনে মানুহ ?

(ঘ) ধানত পোক হলে কি ঔষধ ছটিয়াব লাগে ?

(ঙ) তেওঁৰ জীৱনৰ ব্ৰত কি ?

১১। উপযুক্ত শব্দ প্ৰয়োগৰ দ্বাৰা খালি ঠাই পূৰণ কৰক ।

(ক) — — গ্ৰামক আম্ৰবন বুলিব পাৰি ।

(খ) তেওঁৰ কথা বাতা অতি — — ।

(গ) দেওৰ ড্ৰাইভাৰ বজ্ৰপুৰৰ মানুহৰ — — ।

(ঘ) টোপলিৰ আন নাম — — ।

৯ = ||||||||| ৮ = |||||||| ৭ = |||||||

$-$১ $-$১ $-$১

৮   ৭

৬ = |||||| ৫ = ||||| ৪ = ||||

$-$১ $-$১ $-$১

৫   ৪   ৩

৩ = ||| ২ = ||

$-$১ $-$১

২   ১

১৫শ পাঠ

য = ্য

□ + য = □্য

ক+য=ক্য	ণ+য=ণ্য	ম+য=ম্য
খ+য=খ্য	ত+য=ত্য	য+য=য্য
গ+য=গ্য	থ+য=থ্য	ল+য=ল্য
ঘ+য=ঘ্য	দ+য=দ্য	শ+য=শ্য
চ+য=চ্য	ধ+য=ধ্য	স+য=স্য
জ+য=জ্য	ন+য=ন্য	ষ+য=ষ্য
ট+য=ট্য	প+য=প্য	হ+য=হ্য
ঠ+য=ঠ্য	ব+য=ব্য	ক্ষ+য=ক্ষ্য
ঢ+য=ঢ্য	ভ+য=ভ্য	

বাক্য ভাগ্য পাঠ্য সত্য

পুণ্য ৰাজ্য বাল্য পথ্য

মুখ্য শস্য সহ্য সূৰ্য্য

সৈন্য	সংখ্যা	লক্ষ্য	বিদ্যা
খাদ্য	দিব্য	সভ্য	ব্যয়
প্ৰাপ্য	অৰ্ঘ্য	ধ্যান	বন্যা
কামাখ্যা	অকাট্য	অসংখ্য	নগণ্য
অভ্যাস	সমস্যা	উদ্যোগ	বিখ্যাত
ব্যৱহাৰ	বিদ্যালয়	ভৱিষ্যত	অত্যাচাৰ

ল'ৰাটোৰ নাম বিদ্যাধৰ। পুণ্যধৰে বৰ আশাৰে পুতেকৰ নাম বিদ্যাধৰ ৰাখিছিল। ভাৱিছিল ল'ৰাই পঢ়ি শুনি গণ্য মান্য হব। পিচে আশা পূৰ্ণ নহ'লগৈ। বাপেকে বিদ্যাধৰক বিদ্যালয়লৈ পঠালে। পিছে তাৰ পাঠ্যপুথি পঢ়াৰ ধৈৰ্য্য নাছিল। কেইবছৰ মান পঢ়ি সি পঢ়াশালি ত্যাগ কৰিলে। এতিয়া তাৰ কোনো কাম কাজ নাই। ল'ৰাটোৰ ব্যৱহাৰ-পাতিও বৰ বেয়া হ'ল। এতিয়া বিদ্যাধৰ বাপেকৰ কাৰণে এটা গুৰুতৰ সমস্যা হৈ পাৰিছে। বাপেকে মাজে মাজে তাক পথাৰৰ কাম শিকিবলৈ কয়। অভ্যাস নকৰিলে পিচত খাব ক'ৰ পৰা? শিকিলেই অভ্যাস হব। পিচে বিদ্যাধৰে ভাবে যে সভ্য মানুহে এনে কাম নকৰে। বাপেকে ল'ৰাৰ ভৱিষ্যত কি হ'ব বুজি পায়। কিন্তু কোনো উপায় বিচাৰি নপায়। তাৰ কাৰণে পুণ্যধৰে নিজৰ ভাগ্যকে দোষ দিয়ে। আই কামাখ্যালৈ বলি আগ-বঢ়ায়। ভাবে এদিন নহয় এদিন বিদ্যাধৰৰ সুমতি হবই হব। শস্য উৎপাদন কৰিবলৈ সি হালৰ মুঠিত ধৰিবই ধৰিব।

অনুশীলনী

১। প্ৰথম আৰু দ্বিতীয় শাৰীৰ যুক্তাক্ষৰ বিলাক য'তে একে তাতে তৃতীয় শাৰীত √ চিন দিয়ক।

১	ক্য	ধ্য	ত্য	ন্য	ম্য	খ্য	প্য	থ্য	ঙ্য	খ্য
২	ব্য	ধ্য	ভ্য	ম্য	ম্য	প্য	প্য	থ্য	জ্য	থ্য
৩										

২। তলত দিয়া চাৰিটা যুক্তাক্ষৰৰ ভিতৰত ওপৰৰ ঘৰৰ যুক্তাক্ষৰটোৰ সৈতে তলৰ কোনটো যুক্তাক্ষৰ একে চিহ্নিত কৰক।

	প্য	
শ্য	প্য	খ্য

	ণ্য	
ণ্য	ম্য	ন্য

	জ্য	
জ্য	ক্য	জ্য

৩। ওপৰৰ ঘৰত দিয়া শব্দটো তলৰ কোনটো শব্দৰ সৈতে একে ? মিলাই চাই চিহ্নিত কৰক।

	ৰাজ্য	
বাক্য	ভাগ্য	ৰাজ্য

	শস্য	
সভ্য	শস্য	সহ্য

	প্ৰাপ্য	
প্ৰাপ্য	বাক্য	অৰ্ঘ্য

112

	নগণ্য	
অগম্য	জঘন্য	নগন্য

৪। তলত দিয়া আখৰ বিলাক যোগ কৰক।

ব + য =　　　　জ + য =

স + য =　　　　ন + য =

খ + য =　　　　হ + য =

চ + য =　　　　ট + য =

৫। তলত দিয়া যুক্তাক্ষৰ সমূহ ভাঙি সুকীয়াকৈ লিখক।

ধ্য =　　　　ত্য =

গ্য =　　　　ভ্য =

শ্য =　　　　ষ্য =

ঠ্য =　　　　ল্য =

113

৬। তলত দিয়া শব্দ বিলাক পঢ়ক আৰু লিখিবলৈ অভ্যাস কৰক ।

পুণ্য খাদ্য বাল্য বিদ্যা বন্যা

প্ৰাপ্য ভৱিষ্যত

৭। সোঁফালৰ পৰা উপযুক্ত যুক্তাক্ষৰ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক ।

(ক)	শ—	স্য	হ্য	ভ্য
(খ)	—য়	ক্য	ব্য	জ্য
(গ)	অ—স	স্যা	হ্যা	ভ্যা
(ঘ)	—ৱহাৰ	ব্য	ক্য	গ্য
(ঙ)	বি—ত	ভ্যা	ক্যা	খ্যা

৮। ছবি চাই খালি ঠাই পূৰণ কৰক।



বি — লয়

ব—

সৈ –

৯। উপযুক্ত যুক্তাক্ষৰেৰে খালি ঠাই পূৰণ কৰক।

(ক) সং— ।

(খ) ৰা — ।

(গ) বি — ।

(ঘ) সম — ।

শ্য =

ষ্য =

ঠ্য =

ল্য =

১০। তলৰ প্ৰশ্ন সমূহৰ উত্তৰ দিয়ক।

(ক) পুণ্যধৰৰ পুতেকৰ নাম কি ?

(খ) বিদ্যাধৰে পঢ়াশালিলৈ গৈ কি কৰিলে ?

(গ) বিদ্যাধৰ পথাৰৰ কামলৈ নাযায় কিয় ?

(ঘ) পুতেকৰ মঙ্গলৰ বাবে বাপেকে কি কৰে ?

১১। উপযুক্ত শব্দ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক।

(ক) ল'ৰাটোৰ নাম — —।

(খ) ল'ৰাটোৰ — — পাতিও বৰ বেয়া হ'ল।

(গ) শিকিলেই — — হব।

(ঘ) আই — — বলি আগবঢ়ায়।

১০	১০	১০	১০	১০	১০	১০
— ১	— ২	— ৩	— ৪	— ৫	— ৬	— ৭
৯	৮	৭	৬	৫	৪	৩

১০	১০
— ৮	— ৯
	১

১৬শ পাঠ

ক+ল=ক্ল	গ+ব=গ্ব	ল+ব=ল্ব
গ+ল=গ্ল	জ+ব=জ্ব	গ+ন=গ্ন
প+ল=প্ল	ত+ব=ত্ব	ঘ+ন=ঘ্ন
ব+ল=ব্ল	দ+ব=দ্ব	ত+ন=ত্ন
ম+ল=ম্ল	ন+ব=ন্ব	ন+ন=ন্ন
ল+ল=ল্ল	ম+ব=ম্ব	শ+ন=শ্ন
শ+ল=শ্ল	শ+ব=শ্ব	স+ন=স্ন
	স+ব=স্ব	ক্ষ+ন=ক্ষ্ন

শুক্ল	তীক্ষ্ণ	জ্বৰ	জ্বালা
ম্লান	প্ৰশ্ন	বিদ্বান	কৃতিত্ব
দিল্লী	অন্ন	স্বভাৱ	অন্বেষণ
ব্লক	অগ্নি	বিশ্বাস	দ্বিতীয়
বিপ্লৱ	যত্ন	ঈশ্বৰ	ডম্বৰু
অশ্লীল	স্নান	দ্বাৰকা	কম্বল
উল্লাস	উন্নতি	ৰাজত্ব	দিগ্বীজয়

শুক্লধৰৰ পত্নী ফুলেশ্বৰী বিল্বেশ্বৰৰ সেৱিকা। তেওঁলোকৰ ল'ৰা ডম্বৰু দিল্লীত থাকে। ইশ্বৰৰ কৃপাত সি বৰ বিদ্বান হৈছে। সি বৰ যত্নেৰে বিদ্যা আয়ত্ব কৰিছিল। সকলো পৰীক্ষা ডম্বৰুৱে কৃতিত্বৰে পাচ কৰিছিল। বিশ্ববিদ্যালয়ৰ পৰা আহিবৰ সময়ত তাক দিগ্বীজয়ী বীৰৰ দৰে লাগিছিল। এতিয়া সি দিল্লীত চাকৰি কৰে। দুদিন মান হ'ল সি ঘৰলৈ আহিছে। যোৱা ৰাতিৰ পৰা তাৰ অলপ অলপ জ্বৰ। সেয়ে মাকৰ মুখ খনি ম্লান। এইবাৰ ল'ৰাৰ বিয়া পাতিবলৈকো মাক বাপেক ব্যগ্ৰ হৈ পৰিছে। ছোৱালী প্ৰায় ঠিক হৈয়েই আছে। অন্নদা শইকীয়াৰ দ্বিতীয়া কন্যা ৰত্না। সকলোৰে মনত সেয়ে বৰ উল্লাস। ডম্বৰু অতি কৰ্তব্যপৰায়ণ। বিশ্ববিদ্যালয়ত পঢ়ি ডাঙৰ চাকৰি কৰিলেও ঘৰলৈ আহিলে পাৰিবাৰিক সকলো কামতে সি দেউতাকক সাহায্য কৰে।

অনুশীলনী

১। প্ৰথম আৰু দ্বিতীয় শাৰীৰ যুক্তাক্ষৰ বিলাক য'তে য'তে একে তাতে তৃতীয় শাৰীত √ চিন দিয়ক।

১	ক্ল	ন্ন	জ্ব	ন্ব	শ্ব	ত্ব	শ্ল	ল্ব	ন্ব
২	ক্ল	গ্ল	দ্ব	ন্ব	শ্ব	ন্ন	ল্ব	ল্ব	ন্ব
৩									

২। তলৰ চাৰিটা ঘৰত চাৰিটাকৈ যুক্তাক্ষৰ আছে। তলৰ কোনটো যুক্তাক্ষৰৰ সৈতে ওপৰৰ যুক্তাক্ষৰটো একে চিহ্নিত কৰক।

	ক্ল	
ক্ল	ব্ল	ল্ব

	ক্ষ্ণ	
ন্ন	ক্ষ্ণ	ন্ব

	স্ব	
ত্ব	ন্ব	স্ব

৩। তলত দিয়া আখৰ বিলাক যোগ কৰক।

ক + ল =   ল + ল =   প + ল =

জ + ব =   ন + ন =   ল + ব =

গ + ন =   গ + ব =   ত + ন =

৪। তলত দিয়া যুক্তাক্ষৰ বিলাক ভাঙি সুকিয়াকৈ লিখক।

প্ল =	দ্ব =	শ্ব =
ল্ল =	স্ব =	ত্ব =
ম্ল =	ন্ব =	জ্ব =

৫। তলত দিয়া শব্দবোৰ পঢ়ক আৰু লিখক।

ক্লেশ	জ্বালা	যত্ন	ঈশ্বৰ
কম্বল	দ্বাৰকা	উন্নতি	অশ্লীল

৬। তলত দিয়া বাক্যবিলাক পঢ়ক আৰু লিখিবলৈ অভ্যাস কৰক।

(ক) দিল্লী ভাৰতৰ ৰাজধানী।

(খ) বিল্ব মানে বেল।

(গ) কম্বলত উম আছে।

(ঘ) অন্নদান পুণ্য কৰ্ম।

(ঙ) উন্নতিৰ মূল কথা যত্ন।

৭। সোঁফালে দিয়া যুক্তাক্ষৰবোৰৰ মাজৰ পৰা উপযুক্ত যুক্তাক্ষৰ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক।

(ক) য — ।

ক	ত্ন	ন্ন

(খ) ঈ — ৰ।

শ্ব	দ্ব	স্ব

(গ) ৰাজ — ।

দ্ব	ত্ব	স্ব

(ঘ) উ — তি।

ন্ব	প্ল	ন্ন

৮। তলৰ চাৰিটা ঘৰত থকা চাৰিটা শব্দৰ ভিতৰত ওপৰৰ ঘৰত থকা শব্দটোৰ লগত তলৰ কোনটো শব্দ একে চিহ্নিত কৰক।

যত্ন		
যত্ন	ৰত্ন	লগ্ন

বিদ্বান		
বিশ্বাস	বিদ্বান	ঈশ্বৰ

বিপ্লব		
উল্লাস	প্লাবন	বিপ্লব

ম্লান		
ম্লান	স্নান	ব্লক

৯। ছবি চাই উপযুক্ত যুক্তাক্ষৰেৰে খালি ঠাই পূৰণ কৰক ।



অ —　　　　　　　　　　ক — ল

১—১=০	৬—১=৫
২—১=১	৭—১=৬
৩—১=২	৮—১=৭
৪—১=৩	৯—১=৮
৫—১=৪	১০—১=৯

১১—২=৯	১৭—২=১৫
১২—২=১০	১৮—২=১৬
১৩—২=১১	১৯—২=১৭
১৫—২=১৩	২০—২=১৮
১৬—২=১৪	

১৭শ পাঠ

ক+ক=ক্ক	ল+ক=ল্ক	ব+জ=ব্জ
ক+ত=ক্ত	ল+গ=ল্গ	দ+দ=দ্দ
ন+ত=ন্ত	ল+প=ল্প	দ+ভ=দ্ভ
প+ত=প্ত	হ+ণ=হ্ণ	ম+ভ=ম্ভ
স+ত=স্ত	ণ+ণ=ণ্ণ	ন+ত+উ=ন্তু
স+ক=স্ক		স+ত+উ=স্তু

ৰক্ত	উল্কা	কব্জা
অন্ত	অল্প	কুম্ভ
তক্তা	শুল্ক	বিষণ্ণ
সস্তা	স্কুল	খদ্দৰ
খন্তি	কল্পনা	সম্ভাৰ
ডাক্তৰ	বল্কল	আৰম্ভ
সপ্তাহ	পুৰস্কাৰ	উদ্দেশ্য

লুইতৰ পাৰত গাওঁৰে স্কুলৰ শিক্ষক কল্প হাজৰিকা বহি আছিল। তেওঁৰ মনটো বিষণ্ণ। তেওঁৰ খদ্দৰৰ চোলাটো ঘামত তিতি গৈছে। প্ৰথম পক্ষৰ সন্তান অনন্ত নিৰুদ্দেশ হৈছে আজি এসপ্তাহ আগতে। দ্বিতীয়া পত্নী ৰন্তাৰ অসুখ। ডাক্তৰৰ মতে তেওঁৰ ৰোগ ৰক্তহীনতা। ভাল পথ্য দিব লাগে। মাছ মাংস আদি ভিটামিন যুক্ত খাদ্য দিব লাগে। ইফালে কম দৰমহাৰ কাৰণে টকা পইচাৰো নাটনি। এই দুই চিন্তাই তেওঁক খুলি খুলি খাইছে। মাহীমাকৰ কুব্যৱহাৰৰ কাৰণেই অনন্ত ঘৰ এৰি গৈছে। মাউৰা ল'ৰা। কলৈ জানো গৈছে? হাজৰিকাই ভাবি ভাবি একোকে ঠিৰাং কৰিব পৰা নাই। এয়া হৈছে দ্বিতীয় বিবাহৰ কুফল। প্ৰথম পক্ষৰ তিনিটা সন্তান থাকোতেও দ্বিতীয় বিবাহ কৰোৱা বাবে হাজৰিকাই আজি অনুতাপ কৰে। সূৰ্য্যটো অস্ত যাবলৈ ধৰিছে। তেওঁ বহাৰ পৰা উঠি ঘৰলৈ খোজ ললে। চিন্তাৰ আৰু অন্ত নাই।

অনুশীলনী

১। প্ৰথম আৰু দ্বিতীয় শাৰীৰ যুক্তাক্ষৰ দুটা য'তে একে তাতে তৃতীয় শাৰীত ✓ চিন দিয়ক।

১	ক্ত	প্ত	হু	দ্ভ	ন্ত	ত্ত	ল্প	দ্ভ	ঙ্ক	ল্ক
২	ন্ত	প্ত	ন্ত	দ্দ	ন্ত	দ্ভ	ল্প	দ্ভ	ব্জ	ল্ক
৩										

২। তলৰ চাৰিটা ঘৰত চাৰিটাকৈ যুক্তাক্ষৰ আছে। তলৰ কোনটো যুক্তাক্ষৰ ওপৰৰ ঘৰৰ যুক্তাক্ষৰটোৰ সৈতে একে চিহ্নিত কৰক।

	ক্ত	
ক্ত	ন্ত	প্ত

	দ্দ	
স্ত	দ্দ	ব্জ

	ল্ক	
হ্ন	ন্ত	ল্ক

৩। তলত দিয়া আখৰ বিলাক যোগ কৰক।

ক + ত =　　　হ + ন =　　　ল + ক =

ম + ক =　　　দ + দ =　　　স + ত =

ব + জ =　　　প + ত =　　　ক + ক =

৪। তলত দিয়া যুক্তাক্ষৰ সমূহ ভাঙি বেলেগ কৰক।

ন্ত =　　　ল্প =　　　ল্গ =

ব্জ =　　　দ্দ =　　　স্ত =

ল্ক =　　　স্ক =　　　হ্ন =

৫। তলত দিয়া শব্দ বিলাক পঢ়ক আৰু লিখক।

তক্ত	সন্তা	চিন্তা	বিষণ্ণ।
সপ্তাহ	সদ্ভাৱ	সমাপ্ত	নমস্কাৰ।

৬। তলত দিয়া বাক্য কেইটা পঢ়ক আৰু লিখক।

(ক) দন্ত মানে দাঁত।

(খ) অনন্তৰ স্বভাৱ ভাল।

(গ) অন্নদা স্কুললৈ গৈছে।

(ঘ) অহা সপ্তাহত পৰীক্ষা হব।

(ঙ) বাপুজীয়ে খদ্দৰ ব্যৱহাৰ কৰিছিল।

৭। সোঁফালৰ পৰা উপযুক্ত যুক্তাক্ষৰ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক।

(ক) অ —		ল্প | ল্গ | ল্ক
(খ) ৰ —		প্ত | ক্ত | ন্ত
(গ) বিষ —		ঘ্ন | ন্ন | ণ্ণ
(ঘ) স — ৰ		দ্ভা | ন্তা | দ্ধা

৮। তলৰ চাৰিটা ঘৰত চাৰিটাকৈ শব্দ আছে। ওপৰৰ ঘৰটোত দিয়া শব্দটো তলৰ কোনটো ঘৰৰ শব্দৰ সৈতে একে? চিহ্নিত কৰক।

	অন্ত	
অন্ত	দন্ত	সপ্ত

	আৰম্ভ	
স্বভাৱ	সম্ভাৱ	খদ্দৰ

	আৰম্ভ	
সমাপ্ত	অনন্ত	আৰম্ভ

	কল্পনা	
কল্পনা	বল্কল	ডাক্তৰ

৯। ছবি চাওক আৰু উপযুক্ত যুক্তাক্ষৰেৰে খালি ঠাই পূৰণ কৰক।



খ —

ডা — ৰ

১০। তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ দিয়ক ।

(ক) শিক্ষক জনৰ নাম কি ?

(খ) অনন্ত কোন

(গ) ৰন্তাৰ কি অসুখ ?

(ঘ) শিক্ষক জনৰ কেলেই এই দশা

১১। প্ৰয়োজনীয় শব্দ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক ।

(ক) তেওঁৰ নামটো — ।

(খ) অনন্ত — — হৈছে ।

(গ) তেজৰ অইন এটা নাম — ।

১৮-শ পাঠ

ক+ম=ক্ম	ক্ষ+ম=ক্ষ্ম	ষ+প=ষ্প
গ+ম=গ্ম	স+খ=স্খ	ষ+ম=ষ্ম
ত+ম=ত্ম	স+প=স্প	ন+দ=ন্দ
দ+ম=দ্ম	স+ফ=স্ফ	ব+দ=ব্দ
ন+ম=ন্ম	ষ+ক=ষ্ক	ব+ব=ব্ব
ল+ম=ল্ম	ষ+ট=ষ্ট	ধ+ব=ধ্ব
শ+ম=শ্ম	ষ+ঠ=ষ্ঠ	হ+ব=হ্ব
স+ম=স্ম		

ৰুক্ম	স্পর্শ	গ্ৰীষ্ম	শব্দ
আত্মা	ভষ্ম	পুষ্প	ধ্বজা
পদ্ম	স্খলন	কষ্ট	ধ্বনি
জন্ম	স্মৰণ	শ্ৰেষ্ঠ	বান্দৰ
লক্ষ্মী	শ্মশান	পৰিস্কাৰ	আহ্বান
সন্মান	আস্ফালন	যুধিষ্ঠিৰ	আনন্দ

পাঠ ১৩।

প্ৰাচীন কালত শদিয়াত এজনা শ্ৰেষ্ঠ ৰজাই ৰাজত্ব কৰিছিল । তেওঁৰ নাম আছিল ভীষ্মক। তেওঁৰ ৰুক্মিণী নামেৰে এজনী পৰমা সুন্দৰী কন্যা আছিল। মুখনি যেন পদ্ম-ফুলহে। বাপেকে ৰুক্মিণীক বৈকুণ্ঠপতিলৈ বিয়া দিবলৈ মন মেলিলে। ৰাজকুঁৱৰীৰ আনন্দই পাৰ নধৰা হ'ল। কিন্তু পুতেক ৰুক্ম এই কথাত সম্মত নহল। তেওঁ শিশু-পালকহে পছন্দ কৰিলে। বুঢ়া ৰজাই বাধ্য হৈ পুতেকৰ কথাত সম্মতি দিলে। বিয়াৰ প্ৰস্তুতি চলিল। পিচে শিশুপালৰ বিধি বাম। বিয়াৰ পূৰ্ব্বেই দ্বাৰকাপতিয়ে ৰুক্মিণীক হৰণ কৰিলে। ৰুক্মৰ বৰ খং উঠিল। মহা আস্ফালন কৰি তেওঁ যদুপতিক ৰণলৈ আহ্বান জনালে। যুঁজ হল। এই যুজত ৰুক্ম পৰাস্ত হ'ল। যদুপতিয়ে বিজয়ৰ ধ্বজা উৰুৱাই দ্বাৰকালৈ উভতি গ'ল।

অনুশীলনী

১। প্ৰথম আৰু দ্বিতীয় শাৰীত থকা যুক্তাক্ষৰবোৰ য'তে একে তাতে তৃতীয় শাৰীত √ চিন দিয়ক।

১	স্ম	ক্ম	স্থ	ন্দ	হ্ব	শ্ম	ষ্ট	ধ্ব	ষ্ট	ন্ম
২	স্ম	গ্ম	স্ফ	ন্দ	ধ্ব	ন্ম	ষ্ট	ধ্ব	ষ্ঠ	ত্ন
৩										

২। তলত দিয়া চাৰিটাকৈ যুক্তাক্ষৰ আছে। তলৰ ঘৰৰ কোনটো যুক্তাক্ষৰ ওপৰৰ ঘৰৰ যুক্তাক্ষৰটোৰ সৈতে একে ? চিহ্নিত কৰক।

	ত্ম			ন্দ			স্ফ	
ত্ম	ক্ম	দ্ম	ব্দ	ধ্ব	ন্দ	স্থ	ষ্ফ	স্প

৩। তলত দিয়া আখৰ সমূহ যোগ কৰক।

ক+ম=	স+খ=	ন+দ=
ত+ম=	স+ফ=	হ+ব=
শ+ম=	ষ+ঠ=	ব+দ=

৪। তলত দিয়া যুক্তাক্ষৰ বিলাক ভাঙি বেলেগকৈ লিখক।

গ্ম =	ষ্ট =	স্প =
দ্ম =	ধ্ব =	ষ্ক =
ষ্প =	স্থ =	ল্ম =

৫। তলত দিয়া শব্দ বিলাক পঢ়ক আৰু লিখক।

জন্ম শব্দ শ্রেষ্ঠ ধ্বজা

শ্মশান আনন্দ আহ্বান

৬। তলত দিয়া বাক্য সমূহ পঢ়ক আৰু লিখক।

ক) পদ্ম ফুল বোকাত জন্মে।

(খ) ভীষ্ম এজন ডাঙৰ বীৰ।

(গ) যুধিষ্ঠিৰ সত্যবাদী আছিল।

(ঘ) কাকো নিন্দা কৰিব নাপায়।

(ঙ) শ্ৰেষ্ঠজনক সন্মান কৰিব লাগে।

৭। সোঁফালে দিয়া যুক্তাক্ষৰ বোৰৰ মাজৰ পৰা উপযুক্ত যুক্তাক্ষৰ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক।

(ক)	প—।	দ্ম	ক্ম	ত্ম
(খ)	শ —।	ন্ম	ব্দ	ন্দ
(গ)	— জা	ন্দ	হ্ব	ধ্ব
(ঘ)	আন —।	ন্দ	ব্দ	হ্ব

৮। তলৰ চাৰিটা ঘৰত চাৰিটাকৈ শব্দ আছে। তাৰে ওপৰৰ ঘৰটোত দিয়া শব্দটো তলৰ কোনটোৰ সৈতে একে।

জন্ম		
জন্ম	শব্দ	নন্দ

কষ্ট		
শ্ৰেষ্ঠ	কষ্ট	পুষ্পা

স্মৰণ		
ইস্পাত	স্খলন	স্মৰণ

বান্দৰ		
বান্দৰ	আহ্বান	আনন্দ

৯। ছবি চাই উপযুক্ত যুক্তাক্ষৰেৰে খালি ঠাই পূৰণ কৰক।



প —।

— জা

বা—ৰ।

ল—।

১০। তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ দিয়ক।

ক) ভীষ্মক ৰজা কোন?

(খ) তেওঁৰ জীয়েকৰ নাম কি?

(গ) বাপেকে ৰুক্মিণীক কালৈ বিয়া দিব খুজিছিল?

(ঘ) যদুপতিয়ে ৰুক্মিণীক হৰণ কৰাত ৰুক্মই কি কৰিলে?

১১। উপযুক্ত শব্দ প্ৰয়োগ কৰি খালি ঠাই পূৰণ কৰক।

(ক) ভীষ্মক ৰজাৰ জীয়েকৰ নাম ——।

(খ) ৰুক্মই শিশুপালকহে —— কৰিলে।

(গ) যুদ্ধত ৰুক্ম —— হ'ল।

(ঘ) —— ফুল বোকাত জন্মে।

২০ − ৫ = ১৫	১৪ − ৫ = ৯
১৯ − ৫ = ১৪	১৩ − ৫ = ৮
১৮ − ৫ = ১৩	১২ − ৫ = ৭
১৭ − ৫ = ১২	১১ − ৫ = ৬
১৬ − ৫ = ১১	১০ − ৫ = ৫
১৫ − ৫ = ১০	৯ − ৫ = ৪
১১ − ৯ = ২	১৬ − ৯ = ৭
১২ − ৯ = ৩	১৭ − ৯ = ৮
১৩ − ৯ = ৪	১৮ − ৯ = ৯
১৪ − ৯ = ৫	১৯ − ৯ = ১০
১৫ − ৯ = ৬	২০ − ৯ = ১১

১৫ − ৭ = ৮	১১ − ২ = ৯	১৮ − ৮ = ১০	১২ − ৫ = ৭	১৫ − ৬ = ৯	১০ − ৬ = ৪	১৩ − ৫ = ৮
১২ − ৪ = ৮	১৭ − ৮ = ৯	১৫ − ২ = ১৩	১২ − ৬ = ৬			
১৬ − ৮ = ৮	১২ − ৩ = ৯	১৯ − ৫ = ১৪	২০ − ১০ = ১০			

১৯শ পাঠ

ঙ+খ=ঙ্খ	চ+ছ=চ্ছ	ক+ট=ক্ট
ঙ+ঘ=ঙ্ঘ	জ+জ=জ্জ	ণ+ট=ণ্ট
দ+গ=দ্গ	শ+চ=শ্চ	ণ+ঠ=ণ্ঠ
দ+ঘ=দ্ঘ	শ+ছ=শ্ছ	ণ+ড=ণ্ড
ড+ড=ড্ড	ম+প=ম্প	ল+ট=ল্ট
ড়+গ=ড়্গ	ক+স=ক্স	হ+ল=হ্ল
চ+চ=চ্চ	প+স=প্স	

শঙ্খ উচ্চ ঘণ্টা নক্সা

সজ্জা ইচ্ছা কণ্ঠ চম্পা

শৃঙ্খলা নিশ্চয় উল্টা সদ্গতি

লঙ্ঘন সজ্জন আড্ডা আহ্লাদ

সণ্ডালনি উচ্ছেদ খড়্গা উদ্ঘাটন

প্ৰহ্লাদে মেট্ৰিক পাচ কৰি আৰু নপঢ়িলে। কলেজত পঢ়িবলৈ চহৰলৈ যাব লাগে। সদায় অহা যোৱা কৰিবলৈ অসুবিধা। হোষ্টেলত ৰাখি ল'ৰা পঢ়ুওৱাৰ ক্ষমতা আমাৰ বহুত মানুহৰে নাই। সেয়ে পঢ়ি শুনি ডাঙৰ মানুহ হোৱাৰ ইছা থাকিলেও প্ৰহ্লাদে পঢ়া বাদ দিবলৈ বাধ্য হ'ল। এতিয়া সি গাওঁখনৰ উন্নতিৰ কামত লাগিছে। গাওঁ হৈছে দেশৰ উন্নতিৰ ভেঁটি। গাওঁবিলাকৰ উন্নতি হলেহে দেশখন উন্নত হব। সেয়ে সি গাওঁখনৰ উন্নতিৰ কথা চিন্তা কৰে। প্ৰহ্লাদ গাওঁৰে যুৱক সঙ্ঘৰ সম্পাদক। সি সদায় একো একোটা নতুন কথা কয়। জোনলৈ মানুহ যোৱাৰ কথা কয়। ইন্‌জেক্‌চন দিলে গাই গৰু গাভিনী হোৱাৰ কথা কয়। ট্ৰেক্টৰেৰে হাল বোৱাৰ কথা কয়। এতিয়া আকৌ গাওঁত এখন ছোৱালী স্কুল খোলাৰ কথা কৈছে। স্কুল ঘৰৰ নক্সাও হেনো কৰিলেই। মৌজাদাৰে মাটিখিনি দিব আৰু বাকী যি লাগে চান্দা তোলা হব। তাৰ কাৰণে চৰকাৰলৈ বাট চাই বহি থাকিব নালাগে। স্কুলখনৰ লগতে এটা সমবায় বেংক খোলাৰ কথাও সি কৈছে। গাৱঁত এই বেংক এটা হলে গাওঁবাসীৰ বৰ সুবিধা হব। তাৰ কাৰণেও সি চহৰৰ সমবায় বেংকৰ লগত সঙ্ঘৰ যোগেদি যোগাযোগ কৰিছে। এনেবিলাক কাৰণত তাক সকলোৱে বৰ ভাল পায়।

অনুশীলনী

১। প্ৰথম আৰু দ্বিতীয় শাৰীত দিয়া যুক্তাক্ষৰবোৰ য'তে একে তাতে তৃতীয় শাৰীত √ চিন দিয়ক।

১	চ্চ	চ্ছ	শ্চ	দ্গ	স্প	ড়্গ	জ্জ	ণ্ট	হ্ল	শ্চ
২	চ্ছ	চ্ছ	শ্ছ	দ্ঘ	প্স	ড়্গ	ড্ড	ণ্ঠ	হ্ল	শ্চ
৩										

২। তলত দিয়া আখৰ যোগ কৰক।

ড় + গ =   ক + স =   ল + ট =

দ + ঘ =   শ + চ =   হ + ল =

চ + চ =   ম + প =   ঙ + ঘ =

৩। তলত দিয়া যুক্তাক্ষৰবিলাক ভাঙি স্বকীয়াকৈ লিখক।

ড্ড=   শ্ছ=   ণ্ট=

ঙ্ঘ=   ল্প=   দ্গ=

চ্ছ=   ণ্ঠ =   ণ্ড =

৪। তলত দিয়া শব্দবিলাক লিখক আৰু পঢ়ক।

সঙ্ঘ   উচ্চ   খড়্গ   কণ্ঠ

সদ্গতি   কম্প   নিশ্চয়   সজ্জন

৫। তলত দিয়া বাক্যবিলাক পঢ়ক আৰু লিখক।

(ক) গড়ৰ খড়্গ আছে।

(খ) হিমালয় উচ্চ পৰ্ব্বত।

(গ) চম্পাফুল বৰ ধুনীয়া।

(ঘ) আমাৰ গাৱঁত এটা সঙ্ঘ আছে।

৬। তলৰ চাৰিটা ঘৰত চাৰিটাকৈ শব্দ আছে। তলৰ শাৰীত দিয়া কোনটো শব্দ ওপৰৰ ঘৰত দিয়া শব্দটোৰ সৈতে একে? মিলাই চাই ✓ চিন দিয়ক।

	সঙ্ঘাতি	
উচ্ছেদ	সঙ্ঘাতি	উন্নতি

	উচ্চ	
উচ্চ	ইচ্ছা	খড়্গ

	আহ্লাদ	
প্রহ্লাদ	আহ্লাদ	উদ্গাৰ

	আড্ডা	
আড্ডা	উল্টা	নক্সা

৭। ছবি চাই খালি ঠাই পূৰণ কৰক ।





শ — ।　　　　ঘ — ।　　　　গড়ৰ খ — ।

৮। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়ক।

(ক) প্ৰহ্লাদে কিমানলৈকে পঢ়িছিল ?

(খ) এতিয়া প্ৰহ্লাদে কি কৰে ?

(গ) প্ৰহ্লাদে গাৰ্ঁত এতিয়া কি কৰিব খুজিছে ?

৯। উপযুক্ত শব্দ প্ৰয়োগ কৰি খালি ঠাই পূৰণ কৰক ।

(ক) প্ৰহ্লাদ যুৱক সঙ্ঘৰ — ।

(খ) স্কুলঘৰৰ — হেনো কৰিলেই ।

(গ) সমবায় — গাওঁবাসীৰ কাৰণে সুবিধাজনক ।

(ঘ) গড়ঁৰ — আছে ।

৫+৩=৮	৮+৪=১২
৮−৩=৫	১২−৪=৮
৮−৫=৩	১২−৮=৪
১০+৫=১৫	১৭+৫=২২
১৫−৫=১০	২২−৫=১৭
১৫−১০=৫	২২−১৭=৫
২৬+৯=৩৫	২৪+৮=৩২
৩৫−৯=২৬	৩২−৮=২৪
৩৫−২৬=৯	৩২−২৪=৮

৪৯ − ২৭ ☐	৫৪ − ৩২ ☐	৩৪ − ১৩ ☐	৭৮ − ৩৬ ☐
৮৯ − ৪৫ ☐	৯৪ − ৬২ ☐	৫৭ − ২৩ ☐	৬৪ − ১৩ ☐
২৩ − ১১ ☐	১৮ − ১৬ ☐	৫৫ − ৩৫ ☐	৭৪ − ১১ ☐

২০শ পাঠ

ক+ৰ=ক্র	স+থ=স্থ
ত+ৰ=ত্র	গ+ধ=গ্ধ
ভ+ৰ=ভ্র	দ+ধ=দ্ধ
ক+ত=ক্ত	ন+ধ=ন্ধ
ত+ত=ত্ত	ব+ধ=ব্ধ
ত+থ=ত্থ	ত+ৰ+উ=ত্রু
ন+থ=ন্থ	ভ+ৰ+উ=ভ্রু

বিক্রী	ৰক্ত	পন্থা	শুদ্ধ
ছাত্র	উত্তৰ	সুস্থ	অন্ধ
শুভ্র	উত্তম	আস্থা	বন্ধু
শুক্র	ডাক্তৰ	উত্থান	দুগ্ধ
ভ্রমণ	শত্রুঘ্ন	উদ্ধাৰ	উপলব্ধি

উত্তম দাসৰ ঘৰ চক্ৰধৰ পুৰত। ঘৰত ঘৈণীয়েক আৰু ল'ৰা ছোৱালীৰে চাৰিটা মানুহ। ল'ৰাটো স্কুললৈ যায়। পিছে সি বৰ অসুস্থ। পাৰিলে ডাক্তৰ এজন লগত লাগেই। ভাল ছাত্ৰ বুলি তাৰ সদায় সুনাম। দাসৰ ধন সম্পত্তি বুলিবলৈ একো নাই। মাটি অলপ আছিল। তাকো মাক মৰোঁতে শুদ্ধ হবলৈ বিক্ৰী কৰিলে। এতিয়া তেওঁ দিন হাজিৰা কৰে। তেওঁ বৰ সৎ আৰু কৰ্মী। সেয়ে তেওঁৰ ওপৰত সকলোৰে আস্থা আছে। দাসে কাৰো শত্ৰুতা নকৰে। গাওঁৰ ডেকা বুঢ়া সকলোৰে তেওঁ প্ৰিয় বন্ধু। আপদে বিপদে সকলো তেওঁৰ ওচৰ চাপে তেৰোঁ সকলোকে উদ্ধাৰ কৰিবলৈ পাৰে মানে চেষ্টা কৰে। টকা, পইচা, ধন সম্পত্তি নাথাকিও দাস গাওঁৰ এজন লেখত লব-লগীয়া মানুহ।

অনুশীলনী

১। তল চাৰিটা ঘৰত চাৰিটাকৈ যুক্তাক্ষৰ আছে। ওপৰৰ ঘৰটোত থকা যুক্তাক্ষৰটো তলৰ কোনটো যুক্তাক্ষৰৰ সৈতে একে? চিহ্নিত কৰক।

ত্ৰ		
ত্ৰ	ক্ৰ	ভ্ৰ

ক্ত		
ত্ত	ক্ত	খ

ন্ধ		
গ্ধ	দ্ধ	ন্ধ

ন্থ		
ন্থ	স্থ	স্ত

ব্ধ		
গ্ধ	দ্ধ	ব্ধ

ভ্ৰ		
ত্ৰ	ভ্ৰ	ক্ৰ

২। তলত দিয়া আখৰ বিলাক যোগ কৰক ।

ক + ৰ =　　　গ + ধ =

ক + ত =　　　ব + ধ =

ন + থ =　　　ত + ৰ =

৩। তলত দিয়া যুক্তাক্ষৰসমূহ ভাঙি বেলেগ কৰক ।

ভ্ৰ =　　　স্থ =

ত্ত =　　　ন্ধ =

ত্থ =　　　দ্ধ =

৪। তলত দিয়া পদসমূহ লিখক আৰু পঢ়ক ।

শুভ্ৰ　　ছাত্ৰ　　দুগ্ধ　　ৰক্ত

উত্তম　　ভ্ৰমণ　　আৰব্ধ

৫। তলত দিয়া বাক্যবোৰ পঢ়ক আৰু লিখক ।

(ক) দুগ্ধ খালে সুস্থ হয় ।

(খ) ভাৰতৰ উত্তৰে হিমালয় পৰ্বত ।

(গ) মান্ধাতা বিখ্যাত ৰজা আছিল ।

(ঘ) নিজৰ ওপৰত আস্থা ৰখা ভাল ।

৬। সোঁফালৰ পৰা উপযুক্ত যুক্তাক্ষৰ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক ।

(ক)	শু—	ভ্ৰ	ক্ৰ	ত্ৰ
(খ)	ৰ —	ত্ত	ক্ত	স্থ
(গ)	উ —ন	দ্ধ	ত্তা	ত্থা
(ঘ)	উ —ৰ	ত্ত	ক্ত	ত্ৰ

৭। প্রয়োজনীয় যুক্তাক্ষৰেৰে খালি ঠাই পূৰণ কৰক।

(ক) — মণ

(খ) প—

(গ) উপল—

(ঘ) উ—ন

(ঙ) ডা—ৰ

৮। ছবি চাই খালি ঠাই পূৰণ কৰক।

অ —

ছা —

৯। তলত দিয়া প্ৰশ্ন কেইটাৰ উত্তৰ দিয়ক ।

(ক) উত্তম দাসৰ ঘৰ কত ?

(খ) তেওঁ কি কৰি জীৱন নিৰ্বাহ কৰে ?

(গ) তেওঁৰ ল'ৰাটো কেনে ?

১০। উপযুক্ত শব্দৰে খালি ঠাই পূৰণ কৰক ।

(ক) — কৰ্মী মানুহ ।

(খ) তেওঁ গাওঁৰ সকলোৰে প্ৰিয় — ।

(গ) ভাল — বুলি তাৰ সদায় সুনাম ।

২১শ পাঠ

আন্তৰ্জাতিক সংখ্যা

এতিয়া আপোনালোকে অসমীয়া সংখ্যা লিখিব পৰা হৈছে । চিনবিলাক অতি সহজ । এই পাঠত আমি আন্তৰ্জাতিক সংখ্যাবোৰ শিকিম । আমাৰ ব্যৱহাৰিক জীৱনত এই সংখ্যাবোৰ বিশেষ প্ৰয়োজনীয় । ঘড়ী, মটৰ গাড়ীৰ নম্বৰ প্লেট, তাচপাত ইত্যাদিত আমি এই সংখ্যাবিলাক দেখিবলৈ পাওঁ । সমগ্ৰ পৃথিৱীতে এই সংখ্যাবোৰৰ ব্যৱহাৰ দেখা যায় ।

তলৰ তালিকাত অসমীয়া আৰু আন্তৰ্জাতিক সংখ্যাবোৰ একেলগে সমানে সমানে দেখুওৱা হৈছে ।

অসমীয়া	আন্তৰ্জাতিক
১	1
২	2
৩	3
৪	4
৫	5
৬	6
৭	7
৮	8
৯	9
১০	10

অনুশীলনী

১। তলত দিয়া অসমীয়া সংখ্যাবোৰ আন্তৰ্জাতিক ৰূপত লিখক।

১ ৩ ৫ ৭ ৯ ১১ ১২ ১৫ ৩০ ৩৫

৮০ ৮৭ ১৫১ ২০৫

২। তলত দিয়া আন্তৰ্জাতিক সংখ্যাবোৰ অসমীয়াত লিখক।

2 4 6 8 10 13 17 19 40 70

90 100 105 103 562 892

২২শ পাঠ

ঙ+ক=ঙ্ক	ট+ট=ট্ট
ঙ+গ=ঙ্গ	ণ+ড=ণ্ড
ঞ+চ=ঞ্চ	ষ+ণ=ষ্ণ
ঞ+ছ=ঞ্ছ	হ+ন=হ্ন
ঞ+জ=ঞ্জ	হ+ম=হ্ম
জ+ঞ=জ্ঞ	

অঙ্ক	দণ্ড	অঙ্গ	চিহ্ন
গঙ্গা	জ্ঞান	পট্টা	কৃষ্ণ
বেঙ্ক	বাঞ্ছা	জ্ঞাতি	শঙ্কৰ
সঞ্চয়	পণ্ডিত	বুৰঞ্জী	জাহ্নৱী
বিজ্ঞান	অঞ্চল	ব্ৰহ্মপুত্ৰ	অট্টালিকা

গঙ্গাধৰ ভট্টৰ **ঘৰ** ব্ৰহ্মপুত্ৰৰ **পাৰতে** আছিল। অট্টালিকা সদৃশ **ঘৰ**। ঘৈণীয়েক কুঞ্জলতা আৰু **জীয়েক** মঞ্জু। এই তিনিজন মাত্ৰ মানুহ। ধনে ধানে উভৈনদী। তেওঁ সেই অঞ্চলৰ বৰ প্ৰতাপী পুৰুষ আছিল। আজি আৰু সেই দিন নাই। ব্ৰহ্মপুত্ৰৰ **খহনীয়াত** তেওঁৰ ঘৰবাৰী নিশ্চিহ্ন হল। এতিয়া কাষৰ গাওঁৰ দণ্ডধৰহতঁৰ কাষতে ঘৰ কৰিছেহি। ভট্ট ডাঙৰীয়া অতি জ্ঞানী লোক। তেওঁ শঙ্কৰ গুৰুৰ শিষ্য। তেওঁ সুখতো উল্লসিত নহয় আৰু দুখতো ভাঙি নপৰে। তেওঁৰ আগৰ ধন-সম্পত্তি ধ্বংস হৈছে বুলি তেওঁ কেতিয়াও দুখ নকৰে। মুখত সদায় হাঁহি লাগিয়েই থাকে।

অনুশীলনী

১। তলত চাৰিটা ঘৰত চাৰিটাকৈ যুক্তাক্ষৰ আছে। তাৰ ভিতৰত ওপৰৰ ঘৰত দিয়া যুক্তাক্ষৰটো তলৰ কোনটো যুক্তাক্ষৰৰ সৈতে একে? মিলাই চাই √ চিনেৰে চিহ্নিত কৰক।

	ঙ্গ	
ঙ্ক	ঙ্গ	ঞ্চ

	ঙ্গু	
ঞ্চ	ঙ্গু	ঞ্জ

	জ্ঞ	
ঙ্গু	ঞ্জ	জ্ঞ

	ঙ্ক	
ঙ্গ	ঙ্ক	ঙু

	ষ্ণ	
জ্ঞ	ষ্ণ	ন্ধ

	ন্ধ	
হু	ষ্ণ	ন্ধ

২। তলত দিয়া আখৰবোৰ যোগ কৰক।

ঙ + ক =　　　　হ + ন =

ণ + ড =　　　　ট + ট =

জ + ঞ =　　　　হ + ম =

৩। তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি সুকীয়াকৈ লিখক।

ঙ্গ =　　　　ষ্ণ =

ঙ্ক =　　　　ণ্ড =

ঞ্জ =　　　　হ্ম =

৪। তলত দিয়া শব্দবিলাক পঢ়ক আৰু লিখিবলৈ অভ্যাস কৰক।

অঙ্গ　　কৃষ্ণ　　জ্ঞান　　কুঞ্জ

অঞ্চল　　বহ্নি　　দণ্ড

৫। তলত দিয়া বাক্যবোৰ পঢ়ক আৰু লিখক।

(ক) অঙ্ক আমোদজনক বিষয়।

(খ) দোষীয়ে দণ্ড পোৱা উচিত।

(গ) ব্ৰহ্মপুত্ৰ ডাঙৰ নদী।

(ঘ) গঙ্গাস্নান পুণ্যকৰ্ম।

৬। সোঁফালৰ পৰা উপযুক্ত যুক্তাক্ষৰ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক।

(ক) কৃ—	ষ্ণ	হ্ন	ঙ্গ
(খ) চি—।	ষ্ণ	হ্ন	হ্ম
(গ) জা—ৱী।	ণ্ড	ট্ট	হ্ন
(ঘ) অ—ল।	ঞ্চ	ঞ্ছ	হ্ম
(ঙ) ব্ৰ—পুত্ৰ।	ঙ্ক	হ্ম	ঙ্গ

৭। উপযুক্ত যুক্তাক্ষৰেৰে খালি ঠাই পূৰণ কৰক।

(ক) অ—

(খ) — তি

(গ) ব্ৰ —

(ঘ) দ —

(ঙ) বে —

(চ) অ – লিকা।

৮। ছবি চাই খালি ঠাই পূৰণ কৰক।

কৃ —।

অ — লিকা

৯। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ দিয়ক।

(ক) গঙ্গাধৰ ভট্টৰ ঘৰ আগতে ক'ত আছিল ?

(খ) তেওঁৰ ঘৰত আৰু কোন কোন আছে ?

(গ) গঙ্গাধৰ ভট্ট কাৰ শিষ্য ?

(ঘ) তেওঁ কেনে মানুহ ?

১০। উপযুক্ত শব্দেৰে খালিঠাই পূৰণ কৰক।

(ক) — — সদৃশ ঘৰ ।

(খ) খহনীয়াত তেওঁৰ ঘৰবাৰী — —হল ।

(গ) ভট্ট ডাঙৰীয়া অতি — — লোক ।

২৩শ পাঠ

জ+জ+ব=জ্জ্ব	স+ত+ৰ=স্ত্ৰ	স+থ+য=স্থ্য
ত+ত+ব=ত্ত্ব	ষ+ট+ৰ=ষ্ট্ৰ	ৰ+ত+য=ৰ্ত্য
ন+ত+ব=ন্ত্ব	ন+দ+য=ন্দ্য	ৰ+দ+ধ=ৰ্দ্ধ
ন+ত+ৰ=ন্ত্ৰ	ন+ধ+য=ন্ধ্য	ৰ+শ+ব=ৰ্শ্ব
ন+দ+ৰ=ন্দ্ৰ	ন+ন+য=ন্ন্য	ন+ত+ৰ+য=ন্ত্ৰ্য
ন+ধ+ৰ=ন্ধ্ৰ	ত+ম+য=ত্ম্য	ৰ+দ+দ+য=ৰ্দ্দ্য
ম+প+ৰ=ম্প্ৰ		

মন্ত্ৰ	সন্ধ্যা	মৰ্ত্য
অস্ত্ৰ	স্বাস্থ্য	অৰ্দ্ধ
ৰাষ্ট্ৰ	বন্ধ্যা	সৌহাৰ্দ্দ্য
চন্দ্ৰ	স্বাতন্ত্ৰ্য	উজ্জ্বল
অন্ধ্ৰ	সন্ন্যাসী	মহত্ত্ব
বস্ত্ৰ	মাহাত্ম্য	সান্ত্বনা

ভাৰতবৰ্ষ এখন ডাঙৰ ৰাষ্ট্ৰ। বহুত দিন ধৰি এই ৰাষ্ট্ৰ বৃটিছৰ শাসনাধীন আছিল। আমাৰ ঘৰুৱা কন্দলৰ ফলত এমুঠিমান ইংৰাজে ভাৰতৰ দৰে এখন ডাঙৰ আৰু বহুত মানুহ থকা ৰাষ্ট্ৰ শাসন কৰিব পাৰিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয় মানুহ পুনৰ একগোট হৈ আমাৰ দেশলৈ স্বাধীনতা আনিলে। মহাত্মা গান্ধী সন্ন্যাসীৰ নিচিনা মানুহ আছিল। বস্ত্ৰ বুলিবলৈ গাত আছিল এখন আঁঠুমুৰীয়া চুৰিয়া আৰু এখন চাদৰ। তেওঁ পুৱা সন্ধ্যা নিয়ম মতে প্ৰাৰ্থনা কৰিছিল। তেওঁ কৈছিল যে প্ৰাৰ্থনাই মানুহৰ অন্তৰৰ শক্তি বঢ়ায়। গান্ধীজীৰ চৰিত্ৰ অতি মহত্বপূৰ্ণ আছিল। ইংৰাজৰ বিৰুদ্ধে হোৱা এই যুদ্ধত তেওঁ কেতিয়াও অস্ত্ৰধাৰণ কৰা নাছিল। আনকো অস্ত্ৰ ধৰিবলৈ মানা কৰিছিল। সত্য আৰু অহিংসা আছিল তেওঁৰ জীৱনৰ মূলমন্ত্ৰ। ফলত তেওঁ বৃটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে যুঁজ কৰিলেও বৃটেইন আৰু ভাৰত—এই দুই দেশৰ এটা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰিছিল।

অনুশীলনী

১। প্ৰথম আৰু দ্বিতীয় শাৰীত থকা যুক্তাক্ষৰবোৰ য'তে একে তাতে তৃতীয় শাৰীত √ চিন দিয়ক।

১	ন্ত্ৰ	ন্দ্ৰ	স্ত্ৰ	ত্ত্ব	ন্ন্য	স্প্ৰ	ৰ্দ্ধ	ত্ত্ব	ন্ধ্য	ৰ্ত্য
২	ন্ত্ৰ	ন্দ্ৰ	ষ্ট্ৰ	জ্জ্ব	ন্ন্য	ঙ্ক্ৰ	স্ত্য	ন্ত্ব	ন্ধ্য	ৰ্ত্য
৩										

২। তলৰ চাৰিটা ঘৰত চাৰিটাকৈ যুক্তাক্ষৰ আছে। ওপৰৰ ঘৰত দিয়া যুক্তাক্ষৰটো তলৰ কোনটোৰ সৈতে একে ? মিলাই চাই চিহ্নিত কৰক।

ন্ত্ৰ

ন্ত্ৰ | স্ত্ৰ | স্থ্য

ন্দ্ৰ

ন্ধ্ৰ | ন্দ্ৰ | ম্প্ৰ

ন্ধ্য

ত্ম্য | ন্ন্য | ন্ধ্য

ৰ্দ্ধ

ৰ্দ্ধ | ৰ্শ্ব | ৰ্ত্য

৩। তলত দিয়া আখৰ বিলাক যোগ কৰক।

ন+ত+ৰ=　　　　ন+ধ+য=

ম+প+ৰ=　　　　জ+জ+ব=

ষ+ট+ৰ=　　　　ৰ+দ+ধ=

৪। তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি বেলেগ বেলেগকৈ লিখক।

ন্ত্ৰ=　　　　ত্ত্ব=

ন্ধ্ৰ=　　　　ত্ম্য=

স্থ্য=　　　　স্ত্ৰ=

ৰ্শ্ব=　　　　ন্দ্য=

৫। তলত দিয়া শব্দবিলাক পঢ়ক আৰু লিখক।

চন্দ্ৰ মন্ত্ৰী বস্ত্ৰ সম্প্ৰতি
ইন্দ্ৰ মহত্ত্ব সন্ন্যাসী।

৬। তলত দিয়া বাক্যসমূহ লিখক আৰু পঢ়ক।

(ক) ব্ৰাহ্মণে মন্ত্ৰ পঢ়ে।
(খ) সন্ধ্যা তুলসীতলত বন্তি জ্বলোৱা হয়।
(গ) ইন্দ্ৰ দেৱতা সকলৰ ৰজা।
(ঘ) অন্ধ্ৰ প্ৰদেশ এখন ৰাজ্য।

৭। সোঁফালে দিয়া যুক্তাক্ষৰবোৰৰ মাজৰ পৰা উপযুক্ত যুক্তাক্ষৰ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক।

(ক) চ— | ন্দ্ৰ | ন্ধ্ৰ | ন্ত্ৰ |

(খ) অ— | ন্ত্ৰ | স্ত্ৰ | ন্দ্ৰ |

(গ) উ—ল | দ্ধ | ত্ত্ব | জ্জ্ব |

(ঘ) মাহা— | ত্ম্য | ন্য | ন্দ্য |

(ঙ) স— | ন্ধ | ন্ধ্যা | শ্ব |

৮। ওপৰৰ ঘৰটোত দিয়া যুক্তাক্ষৰটো তলৰ ঘৰৰ শব্দটোৰ মাজত চিহ্নিত কৰক।

ন্দ্র	স্ত্র	ত্ত্ব
ইন্দ্র	বস্ত্র	মহত্ত্ব

৯। ছবি চাই খালি ঠাই পূৰণ কৰক।

চ—



অ—

৯। ছবি চাই খালি ঠাই পূৰণ কৰক।



মহা— গান্ধী

স— সী

১০। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ।

(ক) ভাৰতবৰ্ষ কাৰ শাসনাধীন আছিল ?

(খ) কাৰ নেতৃত্বত আমি স্বাধীন হলো ?

(গ) মহাত্মা গান্ধী কেনে মানুহ আছিল ?

(ঘ) তেওঁৰ জীৱনৰ মূলমন্ত্ৰ কি আছিল ?

৯+১=১০
৯+২=১১
৯+৩=১২
৯+৪=১৩
৯+৫=১৪
৯+৬=১৫
৯+৭=১৬
৯+৮=১৭
৯+৯=১৮
৯+১০=১৯

৯−১=৮
৯−২=৭
৯−৩=৬
৯−৪=৫
৯−৫=৪
৯−৬=৩
৯−৭=২
৯−৮=১
৯−৯=০

২৪শ পাঠ

হৰধনু বিজয়

তাহানি অযোধ্যাত এজনা ডাঙৰ ৰজা আছিল। তেওঁৰ নাম আছিল দশৰথ। তেওঁৰ তিনিগৰাকী মহিষী। কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰা। কালক্ৰমত দশৰথ ৰজাৰ চাৰিটা পুত্ৰ সন্তানৰ জন্ম হল। কৌশল্যাৰ পুত্ৰ ৰামচন্দ্ৰ, কৈকেয়ীৰ পুত্ৰ ভৰত আৰু সুমিত্ৰাৰ পুত্ৰ হল লক্ষ্মণ আৰু শত্ৰুঘ্ন। লাহে লাহে ল'ৰাহত ডাঙৰ হল। উপযুক্ত হলত বাপেকে তেওঁলোকক বিদ্যা শিক্ষা আৰু অস্ত্ৰ শিক্ষা দিয়ালে। অতি অলপ দিনৰ ভিতৰতে তেওঁলোক যুদ্ধবিদ্যাত পাৰ্গত হৈ উঠিল। এওঁলোকৰ ভিতৰত ৰাম আছিল সকলোফালেদি সৰ্বশ্ৰেষ্ঠ। এওঁৰ যশস্যা চতুৰ্দিকে বৈ বৈ গ'ল। তেওঁ হৈ পৰিল মহা ধনুৰ্দ্ধৰ বীৰ।

এদিন বিশ্বামিত্ৰ মুনি আহি দশৰথ ৰজাৰ ওচৰ পালেহি। ৰজাই সিংহাসন ত্যাগ কৰি সসন্মানে মুনিক আগবঢ়াই নিলেহি। পাদ্য অৰ্ঘ্য দি পূজা কৰাৰ পাচত ৰজাই বিনম্ৰভাৱে মুনিক আগমনৰ কাৰণ সুধিলে। মুনিয়ে ক'লে যে তাৰকা নামে এজনী ৰাক্ষসী আছে। মনুষ্য জাতিৰ কথাই নাই; সুৰাসুৰ, গন্ধৰ্ব কিন্নৰো তাইৰ ভয়ত কম্পমান। আজি কেইদিন মানৰ পৰা মুনিৰ যজ্ঞস্থলীতো অত্যাচাৰ আৰম্ভ কৰিছেহি। গতিকে ৰামচন্দ্ৰই গৈ তাইক বধ কৰিব লাগে। ৰজা দশৰথৰ মূৰত যেন বিনামেঘে বজ্ৰপাত হ'ল। কুমলীয়া ৰামচন্দ্ৰক তেওঁনো কেনেকৈ ৰাক্ষসীৰ সন্মুখলৈ পঠিয়ায়? নপঠালেও অগ্নিশৰ্মা মুনিয়ে শাপি ভস্ম কৰিব। ৰজাই মুনিক বহুত অনুনয় কৰিলে, কাতৰ প্ৰাৰ্থনা জনালে; কিন্তু মুনি নটলিল। শেষত বাধ্য হৈ ৰজা মুনিৰ এই কথাত মান্তি হ'ল।

ৰামচন্দ্ৰ লক্ষ্মণেৰে সৈতে তাৰকাক বধিবলৈ গ'ল। মুনিয়ে বাট দেখুৱাই লৈ গ'ল। গৈ গৈ তেওঁলোক তাৰকাৰ বাসস্থান পালেগৈ। অটব্য অৰণ্য। তাত প্ৰবেশ কৰিবলৈ

সূৰ্য্যও অসমৰ্থ। মানুহৰ গোন্ধ পায়েই তাৰকাই দাঁত নিকটাই খেদি আহিল। যেন সূৰ্য্যক গ্ৰাস কৰিবলৈ ৰাহুহে আহিছে। ক'লা মেঘৰ দৰে তাৰকাক দেখি বিশ্বামিত্ৰ মুনি ভয়ত কম্পমান হ'ল। সেইজনী তাৰকা বুলি তেওঁ ভিৰাই ধৰি লৰ মাৰিলে। ৰাম লক্ষ্মণৰ কিন্তু গাৰ নোম এডালো নলৰিল। তেওঁলোক দুয়ো প্ৰস্তুত হৈয়েই আছিল। ৰামে পলম নকৰি তাৰকালৈ শৰ নিক্ষেপ কৰিলে। একেপাত শৰতে ৰাক্ষসীৰ পঞ্চত্ব প্ৰাপ্ত হল। তাইৰ পৰ্বত-প্ৰমাণ শৰীৰ গুৰি কটা গছৰ দৰে বাগৰি পৰিল। ধৰিত্ৰী টলমল কৰিবলৈ ধৰিলে।

তাৰকা নিধনৰ খবৰ শুনি নিকটস্থ তপোবনৰ পৰা ঋষিসকল আহিল। মহামুনি বিশ্বামিত্ৰও কাষ চাপিলহি। সকলোৱে এই কিশোৰ ভ্ৰাতৃদ্বয়ক প্ৰাণ ভৰি আশীৰ্ব্বাদ কৰিলেহি। দেৱতা গন্ধৰ্ব, অপ্সৰা, বিদ্যাধৰ, কিন্নৰ কিন্নৰী সকলে আহি পুষ্পবৃষ্টি কৰিলেহি। এনে মহৎ কৰ্ম কৰি জগতবাসীক উদ্ধাৰ কৰা বাবে ৰামচন্দ্ৰৰ ওচৰত সকলো কৃতজ্ঞ হল।

ইয়াৰ পাচত বিশ্বামিত্ৰ মুনিয়ে তেওঁলোকক মিথিলালৈ লৈ গ'ল। মিথিলাৰ ৰজা আছিল জনক। এওঁ মহা পুণ্যৱন্ত ৰাজৰ্ষি আছিল। জনকৰ এজনী সৰ্বগুণ সম্পন্না কন্যা আছিল। তেওঁৰ নাম আছিল সীতা। বাপেকে মহা আড়ম্বৰেৰে জীয়েকৰ সয়ম্বৰ সভাৰ আহ্বান কৰিছিল বিশ্বামিত্ৰেই ৰাম লক্ষ্মণক তালৈকে লৈ গ'ল। ৰজা জনকৰ এখন প্ৰভু ভোলানাথ প্ৰদত্ত ধনু আছিল। তেওঁ প্ৰতিজ্ঞা কৰিছিল যে যেয়ে এই ধনুত গুণ লগাব পাৰিব তেওঁলৈহে সীতাক বিয়া দিব। বিভিন্ন দেশৰ ৰজা মহাৰজা সকলে ধনুত গুণ লগাবলৈ চেষ্টা কৰিলে। কিন্তু সকলো নিস্ফল। শেষত বিশ্বামিত্ৰ আৰু দেৱতা সকলৰ আশীৰ্ব্বাদ লৈ ৰামচন্দ্ৰ ধনু ভাঙিবলৈ গ'ল। তাকে দেখি অন্যান্য ৰজাবিলাকে ৰামক ঠাট্টা কৰিবলৈ ধৰিলে। কিন্তু, কি আশ্চৰ্য্য! এই ল'ৰাটোৱে বৃহৎ ধনুখনত গুণ লগাবলৈ সমৰ্থ হ'ল। তাৰ টঙ্কাৰত চতুৰ্দিক নিনাদিত হ'ল। ৰজা প্ৰজা সমন্বিতে উপস্থিত সকলো-ব্যক্তি বিস্মিত হ'ল। জনকে পূৰ্ব প্ৰতিজ্ঞা স্মৰণ কৰি ৰামচন্দ্ৰৰ লগত সীতাৰ বিয়া পাতিলে। এই অনুষ্ঠানত যোগ দিবলৈ অযোধ্যাৰ পৰা ৰজা দশৰথো আহিল।

পুতেকলৈ সীতাক বিয়া কৰাই তেওঁলোক মহা আনন্দৰে নিজ ৰাজ্যলৈ যাত্ৰা কৰিলে। মহাভাগ্যৱতী জনকনন্দিনী সীতা ৰামচন্দ্ৰৰ গৃহলক্ষ্মী হ'লগৈ।

অনুশীলনী

১। প্ৰথম আৰু দ্বিতীয় শাৰীত দিয়া যুক্তাক্ষৰবোৰ য'তে একে তাতে তৃতীয় শাৰীত √ চিন দিয়ক।

১	ধ্যা	ন্দ্ৰ	ধ্যা	ঘ্ন	এ	শ্ব	ন্ধ	প্স	ষ্ঠ
২	ধ্যা	ন্ব	ল্যা	ঘ্ন	ক্ষ্ম	স্ম	ন্ধ	ন্ন	ষ্ঠ
৩									

১	ন্ম	ন্ম	ক্ৰ	ক্ত	ৰ্গ	দ্ধ	শ্ৰ	ত্ত	স্ম
২	ণ্ম	ন্ত	এ	ক্ত	ৰ্ব	ৰ্য	শ্ৰ	ঘ্য	ৰ্ম
৩									

২। ওপৰৰ ঘৰটোত দিয়া যুক্তাক্ষৰটো তলৰ কোনটো যুক্তাক্ষৰৰ সৈতে একে? মিলাই চাই চিহ্নিত কৰক।

ল্যা		
ল্যা	ধ্যা	স্ত্যা

ঘ্ন		
ত্ৰ	ঘ্ন	ৰ্ঘ

ৰ্ব		
ৰ্ক	ৰ্য	ৰ্ব

	ত্র	
ত্র	ক্র	স্ত্র

	স্থ	
স্ত	স্ত্র	স্থ

	ত্ব	
ত্ব	প্ত	ত্ত্ব

৩। তলত দিয়া আখৰ বিলাক যোগ কৰক ।

ধ+য=　　　ন+দ=

ত+ৰ=　　　ষ+ট=

ক্ষ+ম=　　　গ+ন=

দ+ধ=　　　শ+ব=

৪। তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি সুকীয়াকৈ লিখক ।

ল্য=　　　ন্ন=

ক্ত=　　　ণ্ঠ=

ঘ্ন=　　　স্ম=

ন্ধ=　　　প্স=

৫। তলত দিয়া শব্দবোৰ পঢ়ক আৰু লিখিবলৈ অভ্যাস কৰক।

অযোধ্যা	অগ্নিশৰ্মা
সুমিত্ৰা	যজ্ঞস্থলী
লক্ষ্মণ	প্ৰৱেশ
সৰ্বশ্ৰেষ্ঠ	কম্পমান
বিশ্বামিত্ৰ	অনুষ্ঠান

৬। প্ৰয়োজনীয় যুক্তাক্ষৰেৰে খালি ঠাই পূৰণ কৰক।

(ক) অযো —।

(খ) ৰামচ — ।

(গ) পা — ত।

(ঘ) ক — মান।

(ঙ) আশী — দ।

(চ) পু — বৃষ্টি।

(ছ) মহাপুণ্যৰ —।

(জ) গৃহল —।

৭। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়ক।

(ক) দশৰথ ক'ৰ ৰজা আছিল ?

(খ) ৰামচন্দ্ৰ কোন ?

(গ) বিশ্বামিত্ৰ মুনিয়ে ৰামলক্ষ্মণক কেলেই লৈ গ'ল ?

(ঘ) তাৰকা নিধন হ'লত কোনে কি কৰিলে ?

(ঙ) তাৰকাক বধ কৰি ৰামচন্দ্ৰ কলৈ গ'ল ?

(চ) মিথিলাত গৈ তেওঁ কি কৰিলে ?

৮। তলত দাগ দিয়া যুক্তাক্ষৰবোৰৰ ঠাইত অইন যুক্তাক্ষৰ প্ৰয়োগ কৰি অইন শব্দ গঠন কৰক।

(ক) সন্তান।

(খ) ভণ্ড।

(গ) ত্ৰাস।

(ঘ) প্ৰতিষ্ঠা।

৯। সোঁফালৰ পৰা উপযুক্ত শব্দ ব্যৱহাৰ কৰি খালি ঠাই পূৰণ কৰক।

(ক) তাহানি — ত্ৰজন ডাঙৰ ৰজা আছিল।

[অযোধ্যা, কৌশল্যা, অৰণ্য]

(খ) — গৈ তাৰকাক বধ কৰিব লাগে।

[শত্ৰুঘ্ন, দশৰথ, ৰামচন্দ্ৰ]

(গ) ৰামচন্দ্ৰ — সৈতে তাৰকাক বধিবলৈ গ'ল।

[দশৰথ, ভৰত, লক্ষ্মণ]

(ঘ) জনক মহা পুণ্যৱন্ত — আছিল।

[ৰাজা, ঋষি, ৰজৰ্ষি]

১০। তলত দিয়া শব্দবোৰৰ বিপৰীত শব্দ দিয়ক।

ৰজা ডাঙৰ পুত্ৰ জন্ম আশীৰ্ব্বাদ জ্ঞানী

১১। তলত দিয়া শব্দবোৰ ব্যৱহাৰ কৰি একোটিকৈ বাক্য ৰচনা কৰক।

সন্তান, পাৰ্গত, যশস্বা, বজ্ৰপাত, আশীৰ্ব্বাদ, আনন্দ, মান্তি।

২৫শ পাঠ

তলত দিয়া বাক্যবোৰ পঢ়ক ।

১। প্ৰতিজন মানুহৰে এটাকৈ নাক ।

২। একোজন মানুহৰ দুটাকৈ চকু ।

৩। আমাৰ তিনিটা গৰু আছে ।

৪। মটৰ গাড়ীৰ চাৰিটা চকা ।

৫। এখন হাতৰ পাঁচটা আঙুলি ।

৬। কণল'ৰাই ছটা হাঁহ পুহিছে ।

৭। সাত দিনত এক সপ্তাহ ।

৮। ইকবালহঁতৰ আঠটা কুকুৰা ।

৯। গছৰ ডালত নটা চৰাই আছে ।

১০। লঙ্কাৰ ৰজা ৰাৱণৰ দহটা মূৰ ।

এতিয়া সংখ্যাবোৰ কিদৰে লিখিব অথবা পঢ়িব লাগে আপোনা লোকে জানিলে। এইবাৰ তলত দিয়া সংখ্যাবোৰ যোগ কৰক।

৪+৫= ☐	২+৩= ☐
৬+১= ☐	৩+৪= ☐
৭+৩= ☐	৭+২= ☐
৮+২= ☐	৪+৪= ☐
৬+৩= ☐	৫+৫= ☐

১১ = এঘাৰ

১২ = বাৰ

১৩ = তেৰ

১৪ = চৈধ্য

১৫ = পোন্ধৰ

১৬ = যোল্ল

১৭ = সোতৰ

১৮ = ওঠৰ

১৯ = উনৈশ

২০ = বিশ

৫। তলত দিয়া প্ৰশ্নবোৰ পঢ়ি উত্তৰ দিয়ক।

(ক) আপোনাৰ হাতত বাৰটা কল আছে! আপোনাৰ ভায়েকৰ হাততো ছটা কল আছে। দুয়োজনৰ মাজত মুঠতে কেইটা কল আছে ?

(খ) লতিফৰ ঘৰত পাঁচখন গামোছা আছিল। এইবেলি ঘৈণীয়েকে আৰু দহখান গামোছা বৈ উলিয়াইচে। এতিয়া তেওঁৰ ঘৰত মুঠতে কেইখন গামোছা আছে ?

(গ) আপুনি তিনি টকাৰ কিবাকিবি খোৱা বস্তু আৰু নটকা দি এটা চোলা কিনিলে। মুঠতে কেইটকা খৰচ হ'ল ?

৪। গাওঁবুঢ়াৰ ঘৰত এঘাৰটা গৰু আৰু চাৰিটা ম'হ আছে। তেওঁলোকৰ ঘৰত মুঠতে গৰু ম'হ কেইটা ?

৫। এতিয়া যোগ কৰক।

১৬	২৩	৪৪	৬৬
+১৪	+৩৯	+১৯	+২৫
২৩	৫৫	২৮	৪৫
+৪৮	+১৭	+৩৮	+৩৫

২৬শ পাঠ

সুখ

চৌদিশে কেৱল সুখৰ সন্ধানত মানুহ ঘূৰি ফুৰিছে। ৰাজনীতিত নেতা, কলকাৰখানাত কাৰিকৰ, স্কুল-কলেজত শিক্ষক, পথাৰত খেতিয়ক—সকলো সুখ সুখকৈ ব্যাকুল। কিন্তু এই সুখ কি ?—সেই কথা ভাবিবলৈ কাৰো সময় নাই। ধন-সোণ, গাড়ী-ঘোঁৰা থাকিও কোনো কোনো মানুহৰ সুখ নাই। আকৌ এনে কোনো সম্পদ নাথাকিও কাৰো কাৰো ঘৰত সুখ উচলি পৰিছে।

সুস্থ পৰিয়ালেই হৈছে সুখী পৰিয়াল। জন্ম-মৃত্যু লাগিয়েই আছে। ইয়াক সম্পূৰ্ণৰূপে ৰোধ কৰি দিয়াতো প্ৰকৃতি-বিৰোধী আৰু কৰলৈ গ'লে ই অসম্ভৱ। কিন্তু য'ত অৱহেলাৰ কাৰণে জন্মতে শিশু মৃত্যুমুখত পৰিছে, খোৱা-পিন্ধাৰ অভাৱত যি বিলাক শিশুৰ জীৱন বন্তি অকালতে নুমাই গৈছে, ঘৰ-বাৰীৰ অভাৱত যিবিলাকে শিশুৱে ৰ'দে বতাহে ঘূৰি ফুৰি জীয়াই থকাৰ সংগ্ৰাম কৰিছে—সিহঁতৰ দায়িত্ব আমাৰ সকলোৰে।

মানুহৰ আয়ুসৰ গড় হিচাপ অনুসৰি চুইডেন বাসীৰ ৭৪ বছৰ, আমেৰিকাত ৭১ বছৰ ; কিন্তু সেই সময়ত ভাৰতৰ মানুহৰ গড় আয়ুস ৫২ বছৰতকৈয়ো কম। ১৯৬৮ চনত ৰুচিয়াত প্ৰতি ১০ হাজাৰ মানুহৰ মাজত ২৩ জন ডাক্তৰ হোৱাৰ সময়ত ভাৰতত সেই সংখ্যা তিনিজনৰো কম।

অষ্ট্ৰেলিয়াত প্ৰতি ১৫০ জন ৰোগীৰ মাজত এগৰাকী নাৰ্চ হোৱাৰ সময়ত ভাৰতত ৮৬৫০ জন ৰোগীৰ মাজত এগৰাকী নাৰ্চ।

স্বাস্থ্য আৰু দীৰ্ঘজীৱন ডাক্তৰ, নাৰ্চ আৰু ডাক্তৰখানাৰ ওপৰতেই কেৱল নিৰ্ভৰ নকৰে। যদি আমি দুখন সমাজৰ কল্পনা কৰোঁ—এখনৰ প্ৰত্যেকজন মানুহ ডাক্তৰ নিৰ্ভৰ আৰু আনখনৰ স্বাস্থ্য পাতি ইমান ভাল যে তাত কেতিয়াও ডাক্তৰৰ প্ৰয়োজন নহয়—তেনেহলে আমি দ্বিতীয়খন সমাজ গঢ়িবলৈ চেষ্টা কৰা উচিত। কিন্তু আজিকালি ডাক্তৰী-শিক্ষা, স্কুল কলেজ আদি স্থাপন কৰাৰ দাবীত এই সুন্দৰ সত্য কথাটি আমাৰ চকুৰ আঁৰ হৈ পৰিছে।

তথাপি এনে সমস্যা সমাধান কৰাটো মানুহৰ হাতৰ কথা। ফ্ৰান্স ইউৰোপৰ এখন সৰু দেশ। মাত্ৰ দুশবছৰ আগতে ফ্ৰান্সত প্ৰতি হাজাৰ নতুনকৈ জন্মা শিশুৰ দ্বিতীয় বছৰলৈকে ৭৬৭ টাহে বৈছিলগৈ। ইয়াৰ ভিতৰত মাত্ৰ ৫০২টা শিশুহে ২১ বছৰলৈকে বৰ্তি আছিল। কিন্তু আজি ফ্ৰান্সৰ কথা সুকীয়া। এতিয়া তাত নতুনকৈ জন্ম হোৱা হাজাৰ শিশুৰ মাত্ৰ ৪০টি দুৰ্ভগীয়া হয়তো দ্বিতীয় বছৰত মৰে। তাৰ পাছৰ ২০ বছৰত ইয়াৰ কেৱল ২০ জনহে মৰে। ৭৫৪ জন ৬০ বছৰলৈকে বৰ্তি থকাটো স্বাভাৱিক কথা হৈ পৰিছে। ফ্ৰান্সে যি কৰিব পাৰিছে, মন স্থিৰ কৰিলে যি কোনো মানুহেই সেই কাম কৰিব পাৰিব।

কেৱল দীৰ্ঘজীৱন প্ৰাপ্ত হলেইতো নহব; সুস্থ সবল হৈ থাকিব লাগিব। তাৰ কাৰণে পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন। মাটি আমাৰ আই। কেৱল খাদ্য যোগানেই নহয়, আধুনিক জীৱনৰ দাবী পূৰণ কৰিবলৈ প্ৰয়োজনীয় ধাতু, তেল, কয়লা আদিয়ো এই মাটিৰেই অৱদান।

জন্মৰ সময়ততো সকলোৰেই সমান। কিন্তু মানুহে গঠন কৰা সমাজ ব্যৱস্থা এনে ধৰণৰ যে সম্পত্তিৰ ভাগ হোৱাৰ সময়ত সকলো অসমান। ভাৰতবৰ্ষত মাটি পৃথিৱীৰ শতকৰা ২·৪ অংশ, কিন্তু লোকসংখ্যা পৃথিৱীৰ ১৪·৮। সমগ্ৰ পৃথিৱীৰ লোকসংখ্যা প্ৰতি কিলোমিটাৰত গড় ২৭ হোৱাৰ সময়ত ভাৰতত এই সংখ্যা ১৮২। ভাৰতৰ ভিতৰতো আকৌ কেৰেলাত প্ৰতিকিলোমিটাৰত লোকসংখ্যা ৫৪৮, নগালেণ্ডত ৩১। ইয়াৰ পৰাই সমস্যাটো কিছুপৰিমাণে বুজিবলৈ সহজ হব।

উৰ্ব্বৰ মাটি, খনিজ-সম্পদ আৰু জলবায়ু আদি নানা কাৰণত বিভিন্ন অঞ্চলত লোক বসতিৰ অসমানতা দেখা যায়। ইয়াৰ পৰা এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে যে আজি শিল্প বাণিজ্যত আগবঢ়া দেশবোৰত শতকৰা ৩০ জন মানুহে উচ্চ জীৱনৰ মান ভোগ কৰাৰ সময়ত অনুন্নত আৰু বিকাশশীল দেশবোৰত শতকৰা ৭০ ভাগ মানুহে নিম্ন জীৱনৰ মান ভোগ কৰিছে।

লোকসংখ্যা বৃদ্ধি এই দুখীয়া অনুন্নত ৰাজ্য সমূহৰ দুখৰ অইন এটা কাৰণ। আজিৰ পৰা ২০০০ বছৰৰ আগতে পৃথিৱীৰ লোকসংখ্যা আছিল প্ৰায় ২৫ কোটি। তাৰ দুগুণ হবলৈ প্ৰায় ৩৫০ বছৰ লাগিছিল। হিচাপ কৰি দেখা গৈছে যে এতিয়া পৃথিৱীৰ লোকসংখ্যা দুগুণ হবলৈ মাত্ৰ ৫০ বছৰৰ দৰকাৰ।

আমাৰ ভাৰতবৰ্ষৰ কথা মন কৰিলেই এই কথা নিৰহ—নিপানিকৈ বুজা যাব। আয়তনৰ ফালৰ পৰা ভাৰত পৃথিৱীৰ ভিতৰত সপ্তম; কিন্তু লোকসংখ্যাৰ ফালৰ পৰা পৃথিৱীৰ ভিতৰত দ্বিতীয়। ১৯২১ চনত ভাৰতৰ লোকসংখ্যা আছিল ২৫'১ কোটি। ১৯৭১ চনত এই লোকসংখ্যা বাঢ়ি ৫৪'৭ কোটি হলগৈ। এই বৰ্দ্ধিত লোকসমূহক খোৱা-পিন্ধা, পঢ়া-শুনা আৰু সুস্থ হৈ থাকিবলৈ সুযোগ দিবলৈ হলে আমাৰ যি খিনি সম্পত্তি আছে, তাকেই ভাগ কৰিব লাগিব। তাকে কৰিবলৈ যাওঁতে প্ৰত্যেকৰে ভাগত ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতম অংশ পৰাটো স্বাভাৱিক।

বৰ্ত্তমান সমাজ ব্যৱস্থাৰ এনে কিছুমান সমস্যাৰ প্ৰতি আমি সজাগ হব লাগিব। নহলে, জীৱন ধাৰণৰ বৰ্ত্তমান যি ব্যৱস্থা তাৰ কোনো পৰিবৰ্ত্তন আমি কৰিব নোৱাৰিম।



অনুশীলনী

১। উপযুক্ত শব্দেৰে খালি ঠাই পূৰণ কৰক।

(ক) পৃথিৱীৰ সকলো মানুহ সুখ সুখকৈ ————।

(খ) ————পৰিয়ালেই হৈছে সুখী পৰিয়াল।

(গ) সুস্থ সবল হৈ থাকিবলৈ————খাদ্যৰ প্ৰয়োজন।

(ঘ) ————বৃদ্ধি দুখীয়া দেশ সমূহৰ দুখৰ এটা কাৰণ।

(ঙ) ————সময়ততো সকলোৰেই সমান।

২। তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ দিয়ক।

(ক) সুখ কিহৰ ওপৰত নিৰ্ভৰ কৰে? ধন সম্পদ নে আন কিহবাৰ ওপৰত?

(খ) জনস্বাস্থ্য ৰক্ষাৰ কাৰণে আমি কেনে সমাজ গঠন কৰা উচিত?

(গ) স্বাস্থ্য আৰু দীৰ্ঘজীৱন কিহৰ ওপৰত নিৰ্ভৰ কৰে?

(ঘ) আমাৰ জীৱনলৈ মাটিৰ অৱদান কি?

(ঙ) কি কি কাৰণত ভিন্ ভিন্ অঞ্চলত লোক বসতিৰ অসমানতা দেখা যায়?

(চ) আমাৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ হলে আমি কি কৰিব লাগিব?

৩। তলত দিয়া শব্দসমূহ ব্যৱহাৰ কৰি একোটিকৈ বাক্য ৰচনা কৰক।
এটা আৰ্হি দিয়া হ'ল—

দীৰ্ঘজীৱন ঃ সকলো মাক-বাপেকে সন্তানৰ দীৰ্ঘজীৱন কামনা কৰে।

খাদ্য, সুস্থ, সজাগ, দায়িত্ব, সুযোগ, প্ৰয়োজন, উৰ্ব্বৰ, চেষ্টা, অসম্ভৱ, লোকসংখ্যা।

৪। বন্ধনীৰ ভিতৰত দিয়া শব্দ ব্যৱহাৰ কৰি তলৰ বাক্যবোৰ সম্প্ৰসাৰণ কৰক।

এটা আৰ্হি দিয়া হ'ল—

জন্ম-মৃত্যু বোধ কৰি দিয়া প্ৰকৃতি-বিৰোধী (সম্পূৰ্ণৰূপে)।

জন্ম-মৃত্যু সম্পূৰ্ণৰূপে বোধ কৰি দিয়া প্ৰকৃতি-বিৰোধী।

(ক) সুস্থ হৈ থাকিবলৈ খাদ্যৰ প্ৰয়োজন (পুষ্টিকৰ)।

(খ) লোকসংখ্যা বৃদ্ধিৰ কুফল আমি বুজিব পাৰিছো। (লাহে লাহে)।

(খ) যিবিলাক শিশু ৰ'দে-বতাহে ঘূৰি ফুৰিছে, সেই বিলাকৰ দায়িত্ব আমাৰ সকলোৰে (অনাহাৰে)।

(ঘ) এই সত্য কথাটি আমাৰ চকুৰ আৰঁ হৈ পৰিছে। (সুন্দৰ)।

(ঙ) আমি বৰ্ত্তমান সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ চেষ্টা কৰা উচিত। (নেৰানেপেৰা)।

৫+৫=১০	৫×২=১০	২×৫=১০
৭+৭=১৪	৭×২=১৪	২×৭=১৪
৮+৮=১৬	৮×২=১৬	২×৮=১৬
৯+৯=১৮	৯×২=১৮	২×৯=১৮

৫×৭=৫+৫+৫+৫+৫+৫+৫ =৩৫
৭×৫=৭+৭+৭+৭+৭ =৩৫

৬×৮=৬+৬+৬+৬+৬+৬+৬+৬=৪৮
৮×৬=৮+৮+৮+৮+৮+৮ =৪৮

৩×৪=৩+৩+৩+৩=১২
৪×৩=৪+৪+৪ =১২

৯×৩=৯+৯+৯=২৭
৩×৯=৩+৩+৩+৩+৩+৩+৩+৩+৩=২৭

৫×১=৫
৫×২=৫+৫=১০
৫×৩=৫+৫+৫=১৫
৫×৪=৫+৫+৫+৫=২০
৫×৫=৫+৫+৫+৫+৫=২৫
৫×৬=৫+৫+৫+৫+৫+৫=৩০
৫×৭=৫+৫+৫+৫+৫+৫+৫=৩৫
৫×৮=৫+৫+৫+৫+৫+৫+৫+৫=৪০
৫×৯=৫+৫+৫+৫+৫+৫+৫+৫+৫=৪৫
৫×১০=৫+৫+৫+৫+৫+৫+৫+৫+৫+৫=৫০

২×২=৪
২×৩=৬
২×৪=৮
২×৫=১০
২×৬=১২
২×৭=১৪
২×৮=১৬
২×৯=১৮
২×১০=২০

৩×২=৬
৩×৩=৯
৩×৪=১২
৩×৫=১৫
৩×৬=১৮
৩×৭=২১
৩×৮=২৪
৩×৯=২৭
৩×১০=৩০

৪×২=৮
৪×৩=১২
৪×৪=১৬
৪×৫=২০
৪×৬=২৪
৪×৭=২৮
৪×৮=৩২
৪×৯=৩৬
৪×১০=৪০

৫×২=১০
৫×৩=১৫
৫×৪=২০
৫×৫=২৫
৫×৬=৩০
৫×৭=৩৫
৫×৮=৪০
৫×৯=৪৫
৫×১০=৫০

৬×২=১২	৭×২=১৪	৮×২=১৬
৬×৩=১৮	৭×৩=২১	৮×৩=২৪
৬×৪=২৪	৭×৪=২৮	৮×৪=৩২
৬×৫=৩০	৭×৫=৩৫	৮×৫=৪০
৬×৬=৩৬	৭×৬=৪২	৮×৬=৪৮
৬×৭=৪২	৭×৭=৪৯	৮×৭=৫৬
৬×৮=৪৮	৭×৮=৫৬	৮×৮=৬৪
৬×৯=৫৪	৭×৯=৬৩	৮×৯=৭২
৬×১০=৬০	৭×১০=৭০	৮×১০=৮০

৯×২=১৮	১০×২=২০
৯×৩=২৭	১০×৩=৩০
৯×৪=৩৬	১০×৪=৪০
৯×৫=৪৫	১০×৫=৫০
৯×৬=৫৪	১০×৬=৬০
৯×৭=৬৩	১০×৭=৭০
৯×৮=৭২	১০×৮=৮০
৯×৯=৮১	১০×৯=৯০
৯×১০=৯০	১০×১০=১০০